## সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আৱক্ষ মূৰ্তি স্থাপন

# শৰতৰ প্ৰোজ্বল পৰিৱেশত উদ্বেলিত ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ

**বৰঙাবাৰীৰ আৰু গহপুৰৰ প্ৰতিবেদক, ১ নৱেম্বৰ ঃ** শাৰদীয় সময়ৰ যাদুকৰী পৰশত এতিয়া সুশোভিত প্ৰকৃতি। শৰতৰ প্ৰোজ্বল পৰিৱেশত উদ্বেলিত আকাশ-বতাহ। পাহাৰ-ভৈয়াম। ফৰকাল আকাশত দিনমণিৰ হাঁহি। ৰিব ৰিব বতাহত শুকুলা কঁহুৱাৰ লয়লাস নাচোন। আমোলমোল শেৱালিৰ সুবাসত সুশোভিত প্ৰকৃতি। শৰতৰ এই মধুময়, মায়াময় পৰিৱেশৰ মাজত গহপুৰ মহকুমাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ছয়দুৱাৰ মহাবিদ্যালয়ত আজিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰণিকাৰে আৰম্ভ হৈছে গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সমাৰোহ। মহাবিদ্যালয়খনৰ ৫০ বছৰীয়া পথ পৰিক্ৰমাৰ স্মৃতি জীপাল কৰি তুলিবলৈ আয়োজন কৰা সোণালী জয়ন্তী সমাৰোহৰ আজিৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত খোল-তালৰ মংগলময় ধ্বনি, আয়তীৰ উৰুলী, গায়ন-বায়ন আৰু ঘোষা-প্ৰাৰ্থনাৰ অমৃত ৰসে মহাবিদ্যালয়খনৰ চৌহদত কৰা এক ভক্তি ভৰা পৰিৱেশৰ- মাজত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি গজেন বৰুৱা আৰু প্ৰধান সম্পাদক তথা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাসহ মুঠ ৫২ গৰাকী বৰেণ্য ব্যক্তিয়ে ৫২ খন পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে গহপুৰ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই স্মৃতি তৰ্পণ কৰাৰ পিছত মহাবিদ্যালয়খনৰ চৌহদত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পুৱা ১০ বজাত গহপুৰ বিধান সভা সমষ্টিৰ বিধায় উৎপল বৰাই নৱ নিৰ্মিত ছাত্ৰ জিৰণী কোঠা আৰু ছাত্ৰ সংসদৰ কাৰ্যালয়ৰ দ্বাৰা মুকলি কৰাৰ পিছত মহাবিদ্যালয়খনৰ শিশুক কৰ্মচাৰীসকলে সম্পূৰ্ণ নিজা উদ্যোগত ২০ লক্ষাধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা কেন্টিনৰ দ্বাৰ মুকলি কৰে মণিপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ইৰম গম্ভীৰ সিঙে। উল্লেখ্য যে সোণালী জয়ন্তী সমাৰোহৰ আজিৰ প্ৰথম দিনটোত মহাবিদ্যালয়খনৰ চৌহদত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি ব্ৰঞ্জৰ আৱক্ষ মূৰ্তি আজি দুপৰীয়া ১১ বজাত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। গহপুৰ নগৰ সমিতিৰ ২০১৮-১৯ বৰ্ষৰ নগৰ উন্নয়ন পুঁজিৰে নিৰ্মাণ কৰি স্থাপন কৰা ব্ৰঞ্জৰ আৱক্ষ মূৰ্তিটো উন্মোচন কৰে আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক ড° সূৰ্য দাসে।



গহপুৰৰ সুযোগ্য সন্তান ভাস্কৰ্য শিল্পী দিলীপ ভূষণ শৰ্মাৰ যাদুকৰী হাতৰ পৰশত প্ৰাণ পাই উঠা আৱক্ষ মূৰ্তিটো উন্মোচন কৰি দিয়া ভাষণত ড° সূৰ্য দাসে ড° ভূপেন হাজৰিকাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সঁচা অৰ্থত 'মানুহ' হিচাপে প্ৰতিষ্ঠা হ'বলৈ নৱপ্ৰজন্মৰ প্ৰতি আহ্বান জনায়। উন্মোচনী অনুষ্ঠানটোত অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই আৱক্ষ মূৰ্তিটো আগবঢ়োৱা গহপুৰ নগৰ সমিতিৰ চেয়াৰমেন লীনা শইকীয়া বৰাৰ লগতে প্ৰতিগৰাকী ৱাৰ্ড কমিছনাৰ আৰু কাৰ্যবাহী বিষয়াক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে দুপৰীয়া ১২ বজাত গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে বিশ্বনাথ বিধান সভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। বিয়লি ২ বজাৰ পৰা সমাৰোহৰ মূল মঞ্চত অনুষ্ঠিত সম্বৰ্ধনা সভাখন উন্মোচন কৰে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ কনক শৰ্মাই। উক্ত সম্বৰ্ধনা সভাত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িত আৰু মহাবিদ্যালয়খনত শৈক্ষিক সেৱা আগবঢ়াই ইতিমধ্যে অৱসৰগ্ৰহণ কৰা তিনিশতাধিক বৰেণ্য ব্যক্তি আৰু প্ৰয়াত সকলৰ পৰিয়ালক একোখনকৈ চেলেং, এটা স্মাৰক আৰু একোখনকৈ সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। নিশালৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়া কাৰ্যসূচীত সমাহাৰ ঘটা বাৰেৰহণীয়া কৃষ্টি সংস্কৃতিৰ মেটমৰা সম্ভাৰে প্ৰাণোচ্ছল কৰি তোলে সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী। উল্লেখ্য যে সোণালী জয়ন্তী সমাৰোহ উপলক্ষে দলদোপ-হেন্দোলদোপ হৈপৰিছে ছয়দুৱাৰ মহাবিদ্যালয়ৰ চৌপাশ।

Scanned with Oken Scanner